# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-OCT-2025
**Time :** 1715 HRS

## ***Assamese Evening Bulletin***
--------------------

মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ জৰিয়তে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আজি শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে মহিলাসকলে যাতে সমাজত সন্মান সহকাৰে জীয়াই থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এই আঁচনি ৰূপায়ণ কৰিছে। এই পদক্ষেপে মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলা আৰু গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ দিশত তেওঁলোকৰ ভূমিকা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ড০ শৰ্মাই আজি বিয়লি উত্তৰ লখিমপুৰৰ খেলমাটিত ৪০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা ড° ভূপেন হাজৰিকাৰ এটা ১৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ শিৱমন্দিৰৰ পৰা নৰ্থ লখিমপুৰ কলেজ চাৰিআলিলৈ ২ কোটি ৮৭ লাখ টকাৰে নিৰ্মাণ কৰা পথছোৱা উদ্বোধন কৰিব। কাইলৈ তেওঁ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ড° শৰ্মাই লগতে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ ডুমডুমা বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব।

০০০০০

বজালী জিলাৰ উচ্চশিক্ষাৰ অন্যতম প্ৰতিষ্ঠান ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নৱনিৰ্মিত চৌহদটো আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰিদৰ্শন কৰে। মেধিকুছিত নিৰ্মাণৰত এই চৌহদ পৰিদৰ্শন কৰি ডাঃ পেগুৱে অহা বছৰৰ জানুৱাৰীত এই উন্নত শৈক্ষিক পৰিৱেশত বিশ্ববিদ্যালয়খনৰ নতুন শৈক্ষিক যাত্ৰা আৰম্ভ হ'ব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীক ভৱানীপুৰৰ বিধায়ক ফণীধৰ তালুকদাৰ, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ধনপতি ডেকা আৰু পঞ্জীয়ক মঞ্জিত দাসে সংগ দিয়ে।

০০০০০

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লাৰ আজি আগবেলা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ। যোৱা কিছুদিন ধৰি দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হোৱা চৈয়দ ছাদুল্লাক উন্নত চিকিৎসাৰ বাবে যোৱা কালি গুৱাহাটী

চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল আৰু আজি দিনৰ প্ৰায় চাৰে ১০ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

১৯৪৮ চনৰ ১ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ নালিয়াপুলত জন্মগ্ৰহণ কৰা চৈয়দ ছাদুল্লা শৈশৱৰে পৰা বিভিন্ন বাদ্যযন্ত্ৰত পাৰদৰ্শী হৈ উঠে আৰু পৰৱৰ্তী কালত গীতাৰ বাদক হিচাপে তেওঁ প্ৰসিদ্ধি লাভ কৰে। যোৱা শতিকাৰ সপ্তম দশকত ডিব্ৰুগড়ৰ কেইগৰাকীমান যুৱকে **দ্য কুইভাৰ্ছ** নামৰ উজনি অসমৰ প্ৰথমটো বেণ্ডৰ জন্ম দিয়ে। এই কুইভাৰ্ছৰ অন্যতম সদস্য আছিল চৈয়দ ছাদুল্লা। ১৯৭১ চনৰ পৰা ১৯৭৫ চনলৈ তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাৰে অংশকালীন সংবাদদাতাৰূপে সেৱা আগবঢ়ায়। ইয়াৰ পাছত তেওঁ কেন্দ্ৰটোত ষ্টাফ আৰ্টিষ্টৰূপে যোগদান কৰে। কিছু কাল আকাশবাণী মুম্বাই কেন্দ্ৰতো সেৱা আগবঢ়োৱাৰ পাছত তেওঁ আকাশবাণী ডিব্ৰুগড়লৈ প্ৰত্যাৱৰ্তন কৰে আৰু ২০০৮ চনত তেওঁ কেন্দ্ৰটোৰ পৰা অৱসৰ গ্ৰহণ কৰে।

যোৱা শতিকাৰ সপ্তম আৰু অষ্টম দশকত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত অতি জনপ্ৰিয় ভিন্নৰঙী অনুষ্ঠান **বৰ্ণালী**ৰো প্ৰধান উপস্থাপক আছিল চৈয়দ ছাদুল্লা।

**ঃভইচঃ**

আজি দুপৰীয়া তেওঁৰ নশ্বৰ দেহ আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ অনা হয় আৰু ইয়াত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে শিল্পীগৰাকীৰ প্ৰতি অন্তিম শ্ৰদ্ধা নিবেদন কৰে। তেওঁৰ নশ্বৰ দেহ ডিব্ৰুগড়লৈ নিয়া হৈছে আৰু কাইলৈ ডিব্ৰুগড়ত তেওঁৰ জানাজা সম্পন্ন কৰা হ'ব।

০০০০০

বৰপেটা আৰক্ষীয়ে আজি বীৰ লাচিত সেনা নামৰ সংগঠনটোৰ তিনিজন সদস্যক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা সদস্যকেইজন হৈছে ছহিদুল বৰুৱা, লিটন আলী আৰু দিপাংকৰ তালুকদাৰ। দিপাংকৰ তালুকদাৰ সংগঠনটোৰ বৰপেটা জিলা সমিতিৰ সাংগঠনিক সম্পাদক আৰু লিটন আলী কাৰ্যালয় সম্পাদক আছিল। তিনিওজনৰ বিৰুদ্ধে বৰপেটাৰ থলুৱা আতচবাজী শিল্পৰ উদ্যোগীসকলক দাবী-ধমকি দিয়াৰ অভিযোগ উত্থাপিত হৈছিল। এই সন্দৰ্ভত বৰপেটা সদৰ আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হৈছিল।

০০০০০

বাক্সা জিলা প্ৰশাসনৰ উদ্যোগত আজি দিনজোৱা কাৰ্যসূচীৰে জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত জিলা দিৱস উদযাপন কৰা হয়। শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানেৰে কাৰ্যসূচী মুকলি কৰা হয়। জিলা দিৱস উপলক্ষে জিলা আয়ুক্ত গৌতম দাস আৰু আৰক্ষী অধীক্ষক উজ্বল প্ৰতীম বৰুৱাই চাইকেল সমদলৰ শুভাৰম্ভ কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা উলিওৱা এই সমদলত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি এটা মত বিনিময় কাৰ্যসূচীৰো আয়োজন কৰা হয়।

উল্লেখযোগ্য যে ২০০৩ চনৰ আজিৰ দিনটোতে বি টি চি চুক্তি অনুসৰি নলবাৰী, কামৰূপ আৰু বৰপেটা জিলাৰ কিছু অংশ সামৰি বাক্সা জিলা গঠন কৰা হৈছিল।

০০০০০

সমাপ্ত